## 2016

## ASSAMESE

### ( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) 'মলক গুইন গুইন', 'ভোকেন্দ্ৰ বৰুৱা' আদি ব্যঙ্গাত্মক গল্পৰ গল্পকাৰজন কোন?

(খ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ এখন গল্পপুথিৰ নাম লিখা।

(গ) 'অৰ্পিতাৰ এৰাতি' নামৰ বিখ্যাত অসমীয়া গল্পটোৰ গল্পকাৰজন কোন?

(ঘ) 'অনুৰাধাৰ দেশ' নামৰ উপন্যাসখনৰ ঔপন্যাসিকগৰাকীৰ নাম লিখা।

(ঙ) কোনজন অসমীয়া গল্পকাৰ-ঔপন্যাসিকে 'সৰস্বতী' সন্মান লাভ কৰিছে?

(চ) চাৰ ওৱাল্টাৰ স্কটৰ উপন্যাসৰ প্ৰভাৱ পৰা এগৰাকী অসমীয়া ঔপন্যাসিকৰ নাম লিখা।

(ছ) বৃন্দাবনৰ বিধৱাসকলৰ করুণ জীৱনৰ পটভূমিত ৰচনা কৰা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসখনৰ নাম কি?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) 'সুৰভি' আৰু 'সাধুকথাৰ কুঁকি' কি বিষয়ক গ্ৰন্থ? গ্ৰন্থ দুখনৰ গ্ৰন্থকাৰ কোন?

(খ) সৌৰভ কুমাৰ চলিহাৰ দুখন গল্পপুথিৰ নাম লিখা।

(গ) 'ভানুমতী' উপন্যাসখন গ্ৰন্থাকাৰে কেতিয়া প্ৰকাশিত হৈছিল? উপন্যাসখনৰ ঔপন্যাসিকজনৰ নাম লিখা।

(ঘ) 'দেওলাংখুই' উপন্যাসখন কাৰ ৰচনা? উপন্যাসখনত অসমৰ কোনটো জনজাতিৰ কথা আছে?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৩=১৫

(ক) লিলি চৰিত্ৰটোৰ মাজেৰে ঈৰ্ষাৰ ভয়াবহ ৰূপ কিদৰে প্ৰকাশ পাইছে, 'ব্যৰ্থতাৰ দান' গল্পৰ আলমত আলোচনা কৰা।

(খ) গ্ৰাম্য জীৱনৰ মৎস্য-কৃষ্টি 'সখা দামোদৰ' গল্পটোত কিদৰে বৰ্ণিত হৈছে, আলোচনা কৰা।

(গ) "চোতালৰ ধোঁৱাবৰণীয়া পলসুৱা কোমল মাটিত পাভমাছ যেন বগা সেই ভৰি দুটি—পৰিসেৱা কৰিবৰ মন যায়।" বাক্যটোত কাৰ ভৰিৰ কথা উল্লেখ কৰা হৈছে? সেই ভৰিত কাৰ, কিয় সেৱা কৰিবৰ মন যায়?

(ঘ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত বৰ্ণিত হৰিজন শ্ৰমিকসকলে পূজা কৰা দেৱীগৰাকীৰ নাম কি? উপন্যাসখনত বৰ্ণিত সেই দেৱীগৰাকীৰ পূজাৰ এটি বিৱৰণ দিয়া।

(ঙ) নাৰায়ণীয়ে বঞ্চনাৰ চৰম প্ৰতিশোধ কাৰ ওপৰত, কিদৰে ল'লে, আলোচনা কৰা।

৪। (ক) ‘অসমীয়া গল্পসাহিত্যলৈ আৱাহনৰ অৱদান’—এই শীৰ্ষক এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

৫। (ক) “গল্পটোৰ মুখ্য লক্ষ্য হৈছে নাৰীৰ প্ৰেমৰ সম্পৰ্কত মৌলিক প্ৰবৃত্তিৰ তাড়না আৰু নাৰীৰ হৃদয়বৃত্তিক পোহৰলৈ অনা।” ‘ব্যৰ্থতাৰ দান’ গল্প সম্পৰ্কে কৰা এই মন্তব্যটোৰ যথাৰ্থতা প্ৰতিপন্ন কৰা। ১০

*অথবা*

(খ) “ ‘সখা দামোদৰ’ গল্পত মুকুটৰ দৰে একোজন অতি সাধাৰণ কৃষকৰ কৃষিভিত্তিক জীৱনৰ সৈতে কিমান গভীৰ প্ৰেম থাকিব পাৰে তাৰ বৰ্ণনা অতি হৃদয়গ্ৰাহী।” আলোচনা কৰা। ১০

৬। (ক) শোষক আৰু শোষিতৰ মৰ্মান্তিক চিত্ৰ ‘মামৰে ধৰা তৰোৱাল’ উপন্যাসখনত কিদৰে প্ৰকাশিত হৈছে, উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) ধৰ্মঘটৰ সময়ত হোৱা শ্ৰমিকসকলৰ দুৰ্দশাৰ চিত্ৰ ঔপন্যাসিকাই কিদৰে অংকন কৰিছে, ‘মামৰে ধৰা তৰোৱাল’ উপন্যাসৰ আধাৰত আলোচনা কৰা। ১০

★★★